অধ্যায় ৭ঃ গুপ্তসকলৰ পৰৱৰ্তী যুগৰ স্থাপত্য কলা, ভাস্কৰ্য কলা, চিত্ৰকলা

গোটৰ গঠন

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ গুপ্তসকলৰ পৰৱৰ্তী যুগৰ স্থাপত্য কলাৰ বিকাশ

৭.৩.১ মন্দিৰ স্থাপত্যৰ নাগড় শৈলী

৭.৩.২ মন্দিৰ স্থাপত্যৰ দ্ৰাৱিড় শৈলী

৭.৪ গুপ্তসকলৰ পৰৱৰ্তী যুগৰ ভাস্কৰ্য্যকলাৰ ক্ৰমবিকাশ

৭.৫ গুপ্তসকলৰ পৰৱৰ্তী যুগৰ চিত্ৰকলাৰ ক্ৰমবিকাশ

৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.৭ অধিক জানিবলৈ

৭.৮ অগ্ৰগতিৰ খতিয়ান

৭.৯ আৰ্হি প্ৰশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- গুপ্তযুগৰ পৰৱৰ্তী সময়ৰ ভাৰতবৰ্ষৰ সাংস্কৃতিক বিকাশৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব,
- সেই সময়ৰ কলা আৰু স্থাপত্যৰ বিকাশৰ বিষয়ে আলোচনা কৰিব পাৰিব, আৰু
- সেই সময়ৰ ভাস্কৰ্য্য আৰু চিত্ৰকলাৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৭.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আমি গুপ্তসকলৰ অধীনত হোৱা সাংস্কৃতিক বিকাশৰ বিষয়ে আলোচনা কৰিছিলো। এই অধ্যায়ত আমি গুপ্তসকলৰ পৰৱৰ্তী যুগত হোৱা সাংস্কৃতিক প্ৰগতিৰ বিষয়ে আলোচনা কৰিম।

গুপ্ত সাম্ৰাজ্যৰ পতনৰ ফলত বিভিন্ন স্বতন্ত্ৰ ৰাজ্যই গা কৰি উঠিছিল। উত্তৰ ভাৰতৰ ৰাজনীতি প্ৰধানভাৱে তিনিখন ৰাজ্য শাসিত হৈছিল। সেয়া হ'ল - মগধৰ পৰৱৰ্তী গুপ্তসকল, কনৌজৰ মৌখাৰি সকল আৰু থানেশ্বৰৰ পুষ্যভূতিসকল। এইবোৰৰ উপৰি উত্তৰ গুপ্তযুগত অন্য কিছুমান উল্লেখযোগ্য ৰাজ্যৰ উৎপত্তি হৈছিল, যেনে - বঙ্গত গৌড়, ৰাজপুতানাত গুৰ্জৰা, গুজৰাটত ভল্লভী, বাদামীত চালুক্যসকল, কাঞ্চিপুৰমত পল্লভ, ওড়িষ্যাত উশলোধাভা বংশ, অসমত কামৰূপ ৰাজ্য আৰু দক্ষিণ ভাৰতত চোলা ৰাজ্য। এই ৰাজবংশসমূহে কলা আৰু সাংস্কৃতিক দিশত লক্ষণীয়ভাৱে গৌৰৱোজ্জল যুগৰ সূচনা কৰিছিল। এই কথা বিশেষ উল্লেখযোগ্য যে স্থাপত্য-ভাস্কৰ্য্য-চিত্ৰকলা আদি সৰ্বদিশ উত্তৰ-গুপ্তযুগৰ সময়ছোৱাত সমৃদ্ধিশালী হৈ উঠিছিল।

এই বংশৰ শাসকসকলে ভাৰতবর্ষৰ বিভিন্ন অংশত যেনে - ওড়িষ্যা, কাশ্মীৰ, বাদামী, কাঞ্চিপুৰম, ৰাজস্থান আদিত বিভিন্ন আটোমটোকাৰী বৃহৎ অট্টালিকা, মন্দিৰ আদি নির্মাণ কৰিছিল। এই গোটত আমি উত্তৰ-গুপ্তযুগৰ সময়ছোৱাৰ স্থাপত্য, ভাস্কর্য্য আৰু চিত্রকলাৰ বিষয়ে অধ্যয়ন কৰিম।

৭.৩ গুপ্তসকলৰ পৰৱৰ্তী যুগৰ স্থাপত্য কলাৰ বিকাশ


স্থাপত্যকলাৰ ক্ষেত্রত বৈশিষ্ট্যপূর্ণ ক্রমবিকাশৰ বাবে উত্তৰ-গুপ্তযুগৰ সময়চোৱা বিশেষভাৱে পৰিচিত। ভাৰতবর্ষত বিভিন্ন আঞ্চলিক স্থাপত্য কলা শৈলীয়ে ভূমুকি মাৰিছিল। উপীন্দৰ সিংহৰ ভাষাত "ৰাষ্ট্রকূট, চালুক্য, পল্লৱ, হয়শলা আৰু চোল আদি বংশৰ পৃষ্ঠপোষকতা লাভ কৰি ভাৰতবর্ষৰ উপদ্বীপীয় অঞ্চলত বিভিন্ন বৃহৎ স্মৃতিসৌধ নির্মাণ হৈছিল। পূর্বৰ শতিকাত স্থাপত্যকলাৰ বৃহদাংশ বৌদ্ধধর্মই দখল কৰাৰ বিপৰীতে এই শতিকাত অধিকাংশ হিন্দু মন্দিৰ স্থাপত্যই অধিকাৰ কৰিলে।" (সিংহ উপীন্দৰ ঃ ২০০৯: পৃষ্ঠা - ৬২৪); উত্তৰ-গুপ্ত যুগৰ সময়ছোৱাত প্রায় সকলো আঞ্চলিক মন্দিৰ স্থাপত্যই উচ্চমান প্রাপ্ত হৈছিল। ভাৰতবর্ষৰ বিভিন্ন প্রান্তৰ মন্দিৰ নির্মাণৰ বৈশিষ্ট্যপূর্ণ আঞ্চলিক শৈলীসমূহ আছিল, ভৌগলিক, জলবায়ৱীয়, নৃগোষ্ঠীগত, ধর্মীয়, ঐতিহাসিক আৰু ভাষিক ভিন্নতাৰ ফলশ্রুতি। 'সমৰণগোসূত্রধাৰা' আৰু 'মানহচাৰী' আদিৰ দৰে মন্দিৰ নির্মাণ ৰীতি বিষয়ক শিল্পশাস্ত্র বা গ্রন্থ প্রণয়ন কৰা হৈছিল। এই শাস্ত্রসমূহত মন্দিৰ স্থাপত্যৰ তিনিটা প্রধান শৈলীৰ বিষয়ে উল্লেখ কৰিছে, সেয়া হ'ল - নাগড় অথবা উত্তৰ ভাৰতীয়, দ্রাৱিড় বা দক্ষিণ ভাৰতীয় আৰু বাচড় বা মিশ্রিত স্থাপত্য শৈলী। সমসাময়িকভাৱে কামৰূপ, গৌড়, কেৰালা আৰু হিমালয়ী অঞ্চলত কেতবোৰ আঞ্চলিক স্থাপত্যশৈলীয়ে গা কৰি উঠিছিল। ক্রমবিকাশৰ প্রাৰম্ভিক স্তৰত, শিখৰ আৰু গোপুৰম আদিৰ ভিত্তিত উত্তৰ ভাৰতৰ লগতে দক্ষিণ ভাৰতৰ মন্দিৰসমূহক পৃথকীকৰণ কৰিব পৰা হৈছিল।

৭.৩.১ ঃ মন্দিৰ স্থাপত্যৰ নাগড় শৈলী

নাগড় শৈলীটো হিমালয় আৰু বিন্ধ্য পর্বতৰ মাজৰ ভূখণ্ডৰ লগত সম্পর্কযুক্ত। নাগড় শৈলীৰ মন্দিৰসমূহত প্রধানভাৱে দুটা অংশ আছিল - গর্ভগৃহ আৰু মণ্ডপ। ত্রিকোণাকৃতিৰ গর্ভগৃহটোক বক্রৰৈখিক শিখৰ বা খলপীয়া পিৰামিড আকৃতিৰ চেপেটা চালিযুক্ত গম্বুজ গৃহই অতিক্রমি থাকে।

নাগড় শৈলীৰ মন্দিৰৰ গর্ভগৃহ আৰু মণ্ডপ উভয়ৰে কেন্দ্রত 'ৰথ' অংশ বাহিৰলৈ ওলাই থাকে। উত্তৰ ভাৰতৰ মন্দিৰসমূহত এইবোৰ বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। উদাহৰণস্বৰূপে - লিঙ্গৰাজ মন্দিৰ আৰু ভুৱনেশ্বৰৰ পৰশুৰামেশ্বৰ মন্দিৰ।

শিখৰ ঃ মন্দিৰৰ উচ্চ অংশ বা শিখৰ।
গোপুৰম ঃ মন্দিৰৰ প্রতিমূর্তিক আৱৰি থকা পৰিত্র ঠাই।



চিত্র ১ ঃ

নাগড় মন্দিৰৰ স্থাপত্য

দেওগড়ৰ দশাৱতাৰৰ মন্দিৰত গুপ্ত যুগৰ নাগড়শৈলী স্থাপত্যৰ উৎপত্তি হৈছিল। সমগ্র উচ্চাংশতে বিভিন্ন প্রকাৰৰ চিত্র অঙ্কিত হৈছিল। শিখৰৰ উচ্চতম অংশলৈও চিত্রাঙ্কণ আছিল, যাক ৰেখা শিখৰ বা ৰেখা দৌল বুলি কোৱা হয়। নাগড়শৈলীৰ প্রথমাৱস্থাৰ মন্দিৰ সমূহত 'মণ্ডপ' অংশ দেখা পোৱা নাযায়। উদাহৰণ স্বৰূপে - ওড়িষ্যাৰ ভূৱনেশ্বৰত অৱস্থিত শত্রুঘ্নেশ্বৰ মন্দিৰ। প্রথমাৱস্থাত মণ্ডপসমূহ সৰু সৰু কোঠালি আছিল। ধর্মীয় সভাসমূহ বাঢ়ি অহাৰ লগে লগে মন্দিৰৰ আয়তন আৰু আকৃতিত বৃদ্ধি হ'ল। বর্তমানৰ বৃহৎ মণ্ডপসমূহ স্থূলাকৃতিৰ স্তম্ভ আছিল, যিবোৰ বিভিন্ন ভাস্কর্য্যৰে সুসজ্জিত আছিল। পিছৰ সময়ত অনেক মণ্ডপ নির্মাণ কৰা হৈছিল। সেই নির্মাণসমূহ বিভিন্ন নামেৰে জনা যায়। গর্ভগৃহৰ গাতে লাগি থকা মণ্ডপটোক 'জগমোহন' বুলি কোৱা হৈছিল, প্রসাদ বিতৰণ কৰাটোক 'ভোগমন্দিৰ' বুলি কোৱা হৈছিল, মন্দিৰৰ নর্তকীসকলে য'ত দেৱ-দেৱীৰ উদ্দেশ্যে নৃত্য প্রদর্শন কৰে, তাক নাট্যমন্দিৰ বুলি কোৱা হৈছিল।

লিঙ্গৰাজ মন্দিৰক নাগড় স্থাপত্য শৈলীৰ ৰত্ন বুলি অভিহিত কৰিব পাৰি। ওড়িষ্যাৰ ভূৱনেশ্বৰত অৱস্থিত এই মন্দিৰটো নগৰৰ প্রধান দেৱতা হৰিহৰ নামত সমর্পিত (শিৱ আৰু বিষ্ণু যুগ্ম ৰূপ)। লিঙ্গৰাজ মন্দিৰটো প্রায় একাদশ শতিকাত চোমাভাম্চী ৰাজবংশৰ ৰজাৰদ্বাৰা নির্মাণ কৰা হৈছিল বুলি অনুমান কৰা হয়, পৰৱর্তী সময়ত গঙ্গা ৰাজবংশৰ শাসকে অৱশিষ্ট কিছু অংশ নির্মাণ কৰিছিল। মন্দিৰৰ বাহিৰৰ ফালৰ বেৰ আৰু মণ্ডপসমূহ সুন্দৰ ভাস্কর্য্যৰে সুসজ্জিত। লিঙ্গৰাজ মন্দিৰৰ চৌহদত পঞ্চাশটা সৰু সৰু তীর্থস্থান আছে - এই আটাইবোৰ এখন বৃহৎ দেৱালেৰে আবৃত।

ভূৱনেশ্বৰত অৱস্থিত মুক্তেশ্বৰ মন্দিৰটো নাগড়শৈলীৰ মন্দিৰৰ অন্য এক নিদর্শন।

সুশোভিত ভাস্কর্য্যৰে চাপৰ দেৱাল এখনে মন্দিৰটোক আগুৰি আছে। এই মন্দিৰটো আকাৰত সৰু আৰু ইয়াৰ সালংকৃত প্ৰৱেশদ্বাৰত মকৰ তোৰণ অৱস্থিত।



চিত্র ২ঃ লিঙ্গৰাজ মন্দিৰ



চিত্র ৩ঃ কণ্ডাৰীয়া মন্দিৰ

উৎস ঃ Google Image)

খুজাৰাহোৰ মন্দিৰসমূহে মধ্য ভাৰতৰ নাগড়শৈলীৰ বিভিন্নতাৰ পৰিচয় দিয়ে। বুণ্ডেলখণ্ডৰ শাসক চাণ্ডেলাই সুশোভন হ্রদেৰে আবৃত খুজাৰাহোৰ মন্দিৰসমূহ নির্মাণ কৰিছিল। খেজুৰ গছেৰে আবৃত আছিল বাবে সেই অঞ্চলটো খুজাৰাহো নামে জনাজাত। খুজাৰাহোৰ মন্দিৰসমূহ শিল-বালিৰে নির্মিত হৈছিল আৰু ব্যক্তিগত মন্দিৰসমূহ জগতি নামৰ উচ্চ স্থানত অৱস্থিত। কণ্ডাৰীয়া মহাদেৱ মন্দিৰ এইটো শৈলীৰ উৎকৃষ্ট নিদর্শন হিচাপে বিবেচিত আৰু ই মহাৰাজ গণ্ডৰ নামত উৎসর্গিত। মানৱৰ সৌন্দর্যপূর্ণ আৰু ইন্দ্রিয় উদ্দীপক ভাস্কর্য্য, জীৱজন্তু আৰু জ্যামিতিক বিষয়বস্তুৰ বাবে খুজাৰাহোৰ মন্দিৰসমূহ বিখ্যাত। ভুৱনেশ্বৰৰ মন্দিৰৰ মণ্ডপসমূহৰ সৈতে ইয়াৰ বৈসাদৃশ্য আছে; ভূৱনেশ্বৰৰ মন্দিৰৰ মণ্ডপসমূহৰ মুখ্য প্ৰৱেশদ্বাৰৰ নিকটৱর্তী অন্য প্ৰৱেশদ্বাৰ আছে, খুজাৰাহোৰ মন্দিৰসমূহৰ দাঁতিকাষৰীয়া কোনো প্ৰৱেশদ্বাৰ নাই। গর্ভগৃহৰ প্ৰৱেশদ্বাৰৰ

পোনে পোনে আটাইবোৰ মণ্ডপৰ প্ৰৱেশদ্বাৰ আছে। সেইবোৰৰ শিখৰবোৰ ওখ আৰু পাহাৰ চূড়া সদৃশ।

নাগড়শৈলীৰ সুন্দৰ মন্দিৰ ৰাজস্থান আৰু গুজৰাটতো পোৱা যায়। ৰাজস্থান আৰু গুজৰাটৰ নাগড়শৈলীৰ স্থাপত্যৰ আৰ্হি মাউন্টআবুৰ দুটা জৈনমন্দিৰৰ নিৰ্মাণত পোৱা গৈছে। ৰজা বাস্তুপাল আৰু ৰজা টিপালে একাদিক্ৰমে ১০৩১ চন আৰু ১২৩০ চনত ভিমাল ভাচাহি আৰু লুনা ভাচৰি নামে জনাজাত মন্দিৰ দুটা নিৰ্মাণ কৰিছিল। জৈনৰ প্ৰথম তীৰ্থাংকৰ ভিমালভাচাহি আদিনাথ বা ঋষভনাথৰ নামত উৎসৰ্গিত। একেস্থানতে কিছুমান ব্ৰহ্মণীয় মন্দিৰো আছিল। এইবোৰ হ'ল - দুলাদেও, চতুৰ্ভূজ আৰু কোঁৰৰ নাথ।

জানি থোৱা ভাল



মধ্যভাৰতৰ ৰাজপুত বংশ চাণ্ডেলা ৰাজবংশই খ্ৰীষ্টাব্দ নৱম শতিকাৰপৰা একাদশ শতিকাৰ ভিতৰত ৰাজত্ব কৰিছিল। চাণ্ডেলা ৰাজ্যৰ ৰাজধানী আছিল খুজাৰাহো। জয়শক্তি চাণ্ডেলা ৰাজবংশ ৰাজ্যৰ প্ৰতিষ্ঠাপক আছিল। কলা আৰু স্থাপত্যৰ পৃষ্ঠপোষকতাৰ বাবে চাণ্ডেলা ৰাজবংশ জনাজাত আছিল।

৭.৩.২ মন্দিৰ স্থাপত্যৰ দ্ৰাৱিড় শৈলী

বিন্ধ্য পৰ্বতৰ দক্ষিণাংশত পঞ্চম শতিকাত দ্ৰাৱিড়শৈলীৰ মন্দিৰ স্থাপত্যই ভূমুকি মাৰিছিল। তামিলনাড়ু, কৰ্ণাটক, কেৰালা আৰু অন্ধ্ৰপ্ৰদেশ আদিত মন্দিৰ স্থাপত্যৰ দ্ৰাৱিড়শৈলী পোৱা যায়। পল্লভ, চোলা, চেৰা, পাণ্ডেয়া, ৰাষ্ট্ৰকূট, চালুক্য, হয়চালা আদি বিভিন্ন ৰাজবংশ আৰু বিজয়নগৰ সাম্ৰাজ্য - এই সকলোবোৰে দ্ৰাৱিড়শৈলীৰ মন্দিৰ স্থাপত্যৰ অগ্ৰগতিত অৰিহণা যোগাইছিল। উল্লেখযোগ্য যে পঞ্চম শতিকাৰ পৰা সপ্তম শতিকাৰ মাজভাগত 'মায়ামতা' আৰু 'মনচাৰা শিপা' নামৰ গ্ৰন্থ প্ৰণীত হৈছিল। বাস্তু শাস্ত্ৰ (স্থাপত্যৰ বিধান) বিষয়ক এই গ্ৰন্থসমূহত দ্ৰাৱিড়ীয় শৈলীৰ ধৰণ আৰু কৌশলৰ বাবে নক্সা ৰচিত হৈছিল।

উপীন্দৰ সিঙৰ মতে - "দ্ৰাৱিড় শৈলীৰ মন্দিৰৰ চিত্তাকৰ্ষক আকৃতিটো হ'ল ইয়াৰ পিৰামিডাকাৰ শিখৰ, যিটো ক্ষুদ্ৰতৰৰ পৰা ক্ষুদ্ৰতৰ মহলাৰে নিৰ্মিত, ক্ষীণকায় শিখৰৰ তুঙ্গ এটা সৰু গম্বুজ অতিক্ৰমি আছে।" (সিং উপীন্দৰ ঃ ২০০৯, পৃঃ ৬২৫)

মন্দিৰ স্থাপত্যৰ দ্ৰাৱিড়ীয় শৈলীৰ অগ্ৰদূত আছিল পল্লৱসকল। খ্ৰীষ্টিয় ৬০০ ৰ পৰা ৯০০ ৰ ভিতৰত বৰ্তমানৰ তামিলনাড়ু পল্লৱসকলে শাসন কৰিছিল। পল্লভসকলৰ বিখ্যাত মন্দিৰ সমূহ মহাবালিপুৰমত অৱস্থিত। খ্ৰীষ্টিয় ৬১০ শতিকাৰ পৰা ৬৯০

শতিকালৈ মহেন্দ্র বর্মণ আৰু নৰসিংহ বর্মণৰ পৃষ্ঠপোষকতাত অগণন শিলত খোদিত মণ্ডপ আৰু সংহত মন্দিৰ নির্মিত হৈছিল। উদাহৰণ স্বৰূপে - মহিষমর্দিনী মণ্ডপ আৰু মহাবালিপুৰমৰ ৰথসমূহ। মহাবালিপুৰমৰ বে অফ বেঙ্গলৰ কাষত নৰসিংহ বর্মণে দুটা উপকূলীয় মন্দিৰৰ সংগঠনাত্মক দিশত আগভাগ লৈছিল। সপ্তম শতিকাৰ অন্তিম ভাগৰ পৰা এই সংগঠনাত্মক পর্য্যায় আছিল। প্রথমাৱস্থাৰ এই দ্রাৱিড় মন্দিৰসমূহ গুপ্তযুগৰ সময়ছোৱাত নির্মিত নাছনা কুথাৰা মন্দিৰৰ শৈলীৰ ওপৰত ভিত্তি কৰি নির্মিত হৈছিল। বর্গাকৃতিৰ মধ্যঅংশত চেপেটা চালি এখনি আছিল, তাৰ ওপৰত খাপ খাপকৈ থকা পিৰামিডৰ আকৃতিৰে অবিৰতভাৱে অনেক মহলা আছিল। গুপ্ত মন্দিৰৰ 'প্রদক্ষিণ পথ'ৰ পৰিৱর্তে ইয়াত চৌদিশ স্তম্ভৰ শাৰীৰে আবৃত মুকলি প্রদক্ষিণ পথ পোৱা যায়।

পল্লৱ ৰাজবংশৰ সময়ছোৱাত নির্মিত দ্রাৱিড়শৈলীৰ প্রথমাৱস্থাৰ একক শিলত খোদিত মন্দিৰসমূহ অনেক ঔপনিৱেশিক সাহিত্যত 'সপ্তম স্মৃতিমন্দিৰ' নামেৰে জনা যায়, লগতে মহাবালিপুৰমৰ ৰথ বুলিও কোৱা হয়। পঞ্চপাণ্ডৱ আৰু তেওঁলোকৰ পত্নী দ্রৌপদীৰ নামেৰে এই ৰথসমূহৰ নামাকৰণ কৰা হৈছে আৰু এখন ৰথক গণেশ ৰথ নাম দিয়া হৈছে। প্রতিখন ৰথেই একক, একো একোটা শিলত খোদিত। এই দুই উপকূলীয় মন্দিৰ শিৱ আৰু বিষ্ণুলৈ উৎসর্গিত, যিয়ে আৱয়ৱিক ভাৱে ধর্মৰাজ আৰু অর্জুন ৰথক প্রতিনিধিত্ব কৰে। কাঞ্চিপুৰমত অৱস্থিত কৈলাশনাথ মন্দিৰটো দ্রাৱিড় স্থাপত্য শৈলীৰ উত্তম নিদর্শন। চৌপাশৰ দেৱালৰ ভিতৰত এই মন্দিৰটোত মুঠ ৫৮ (আঠাৱন) টা পৱিত্র স্থান আছে, যিবোৰ শিৱৰ নামত সমর্পিত। উপকূলীয় মন্দিৰসমূহত এক সৰু বাৰাণ্ডা থকাৰ বিপৰীতে কৈলাশনাথ মন্দিৰত এক বৃহৎ মণ্ডপ, এটা আচুতীয়া নান্দী মণ্ডপ আৰু গোপুৰমসমূহ আছে। অন্তিম নির্মাণটো হ'ল ভীম ৰথ। এই ৰথখন আয়তাকৃতিৰ, ধেনুভিৰীয়া চালিৰ শেষাংশত টুপ থকা। গোপুৰম অংশক অলপ সলাই বহুমহলীয়া উচ্চ আকৃতিৰ বনোৱা হৈছে, এই মহলাবোৰ আকৃতিত ক্রমান্বয়ে সৰু হৈ অহা বিধৰ আৰু এটাৰ লগত আন এটা লগ লাগি থকা, মধ্যঅংশত প্রৱেশদ্বাৰ আছে।



ছবি ঃ Google Image

চিত্র ৪ ঃ কৈলাশনাথ মন্দিৰ

চোলাবংশই যিয়ে পল্লৱ বংশক জয় কৰিছিল, তাঞ্জোৰৰ বৃহদেশ্বৰ আৰু গঙ্গাইকন্দা চোলাপুৰম আদিৰ দৰে পূৰ্বৰ তুলনাত অধিক বহল পৰিসৰৰ মন্দিৰ নিৰ্মাণ কৰিছিল। চোলা বংশৰ শেষৰ সময়ছোৱালৈ আদর্শ দ্রাৱিড় মন্দিৰৰ আটাইবোৰ উপাদানে ভূমুকি মাৰিছিল। সেইবোৰ হ'ল - একেবাৰে আগত গর্ভগৃহটো, গর্ভগৃহৰ পিছতে হ্রস্বশৈলীৰ এটা মণ্ডপ (বিভিন্ন স্তম্ভযুক্ত কোঠা), এটা নান্দী মণ্ডপ - এই সকলোবোৰ একেখন চোতালতে আছিল আৰু অন্তৰ ভাগৰ দেৱালসমূহত অসংখ্য পৱিত্রস্থান আছিল। উচ্চ গোপুৰমলৈ এই চোতালৰ প্ৰৱেশ পথ সুগম আছিল। কেতিয়াবা কিছুমানৰ বাহিৰফালে সুৰক্ষাৰ বাবে গড়খাৱঁৈ বা নলা আছিল।



চিত্র ৫ ঃ বৃহদেৱস্বৰা মন্দিৰ

উৎস ঃ Google Image

৯৭৩ খ্ৰীষ্টাব্দৰ পৰা ১১৮০ খ্ৰীষ্টাব্দলৈ দক্ষিণ ভাৰতত ৰাজত্ব কৰা পশ্চিমীয়া চালুক্য ৰাজবংশটো কল্যাণী চালুক্য নামেৰেও জনা যায়। তেওঁলোকেও দ্রাৱিড় শৈলীৰ মন্দিৰ স্থাপত্যৰ পৃষ্ঠপোষক আছিল। কাৰুৱতীৰ মল্লিকার্জুন মন্দিৰ, বগালিৰ কালেশ্বৰ মন্দিৰ আৰু হাজীৰ মহাদেৱ মন্দিৰ - এইবোৰ হ'ল চালুক্য শাসকৰ দ্রাৱিড় শৈলীৰ মন্দিৰ স্থাপত্যৰ উৎকৃষ্ট নিদর্শন। তাৰোপৰি, পট্টাদাকালত থকা মন্দিৰসমূহে দ্রাৱিড় শৈলীৰ মন্দিৰ স্থাপত্যৰ উন্নয়নক স্পষ্ট কৰে। পট্টাদাকালত অৱস্থিত বীৰুপাক্ষ মন্দিৰটো এই স্থাপত্যৰ আটাইতকৈ মহৎ অৱদান। তথাপি, পৰৱৰ্তী সময়ৰ চালুক্যৰ সময়ছোৱাত ডেক্কানত মন্দিৰ স্থাপত্যৰ নতুন শৈলী 'বাচড় শৈলী'ৰো বিকাশ হয়। মন্দিৰ স্থাপত্যৰ এই শৈলীত নাগড় আৰু দ্রাৱিড় শৈলী উভয়ৰে লক্ষণ দেখা যায়। দক্ষিণ কর্ণাটকত ৰাজত্ব কৰা হয়চালা ৰাজবংশৰ সময়ছোৱাত বাচড় শৈলীৰ পৰৱৰ্তী বিকাশ হৈছিল। হলেবিডত অৱস্থিত তৰা আকৃতিৰ হয়চালেশ্বৰ মন্দিৰটোৱেই বোধহয় এই শৈলীৰ উৎকৃষ্ট উদাহৰণ। সম্প্রতি এই মন্দিৰৰ অতি সুসজ্জিত অংশৰ অৱশিষ্ট হে মাথোন আছে।

ৰাষ্ট্রকূটসকলৰ নির্মিত মহাৰাষ্ট্রৰ ইলেৰাত অৱস্থিত কৈলাশনাথ মন্দিৰটো চাগে শিলত খোদিত আটাইতকৈ ডাঙৰ মন্দিৰ সমূহৰ অন্যতম। দ্রাৱিড়ীয় স্থাপত্যৰ ই অন্যতম সুন্দৰ নিদর্শন।

তাৰোপৰি কেৰালাত প্রাপ্ত দ্রাৱিড়ীয় স্থাপত্যসমূহ ভাৰতৱর্ষৰ মন্দিৰ স্থাপত্যৰ অন্তর্গত। কেৰালাৰ মন্দিৰৰ কাঠৰ পূর্ণবেৰাৰ তলৰ অন্তৰ ভাগত এটা পাথৰ আছে। এইটোও উল্লেখযোগ্য যে, কেৰালাৰ স্থাপত্য দ্বাদশ শতিকাৰ চেৰা ৰাজবংশতো পদচিহ্ন এৰি যোৱা দেখা গৈছিল। মাদুৰাইত পাণ্ডেয়বংশৰ শক্তিশালী চিহ্ন হ'ল মিনাক্ষী মন্দিৰ। জনশ্রুতি অনুসৰি আচল তীর্থস্থানটো দুই হাজাৰ বছৰৰো অধিক পুৰণি। বর্তমানৰ মন্দিৰটোৱে পৈণত দ্রাৱিড়শৈলীৰ পৰিচয় দিয়ে, ইয়াৰ সুউচ্চ গোপুৰমসমূহ চহৰৰ আকাশ বিয়পি আছে।

- **নাগড় শৈলী আৰু দ্রাৱিড় শৈলীৰ মাজত পার্থক্য ঃ**

ক) নাগড়শৈলীৰ মন্দিৰ স্থাপত্যৰ এটা আর্হিত এটা চতুর্ভূজাকৃতিৰ গর্ভগৃহ থাকে, পর্বত শৃঙ্গ সদৃশ এটা চতুর্ভূজাকৃতিৰ গর্ভগৃহ থাকে, পর্বতশৃঙ্গ সদৃশ বক্রৰৈখিক গম্বুজ চালি এখনেৰে গর্ভগৃহটোক আগুৰি আছে, ইয়াক শিখৰ বুলি কোৱা হয়। দ্রাৱিড়শৈলীৰ মন্দিৰতো এটা চতুর্ভূজাকৃতিৰ গর্ভগৃহ আছে, ইয়াক 'ভিমন' বুলি কোৱা হয়, কিন্তু খলপীয়া পিৰামিড আকৃতিৰ চেপেটা চালি এখনক আৱৰি এটা সৰু চেপেটা গম্বুজ আছে, যাক 'ষ্টুপিকা' বুলি কোৱা হয়।

খ) নাগড়শৈলীৰ মন্দিৰৰ গর্ভগৃহত এটা আৱদ্ধ প্রদক্ষিণ পথ আছে, কিন্তু দ্রাৱিড়শৈলীৰ মন্দিৰত সকলোফালে স্তম্ভৰে আবৃত এটা খোলা পথ আছে।

গ) নাগড়শৈলীৰ মন্দিৰত জগমোহন, ভোগমন্দিৰ আৰু নাট্যমন্দিৰৰ দৰে অন্য নির্মাণ সমূহ একে আধাৰ বা মঞ্চত অৱস্থিত (কোণার্ক ব্যতিক্রম); কিন্তু দ্রাৱিড় শৈলীৰ মন্দিৰৰ মণ্ডপসমূহ পৃথক, বিশেষকৈ নান্দী মণ্ডপ পৃথক। নাগড়শৈলীত এই বৈশিষ্ট্য নাই।

ঘ) মুক্তেশ্বৰ আদিৰ দৰে কিছুমান নাগড় শৈলীৰ মন্দিৰৰ সুঅলংকৃত দ্বাৰ আছে, কিন্তু দ্রাৱিড় শৈলীৰ মন্দিৰত চৌহদৰ ভিতৰলৈ যোৱা প্রৱেশদ্বাৰত সুউচ্চ গোপুৰম আছে। নাগড়শৈলীৰ মন্দিৰত গোপুৰম দেখা নাযায়।

ঙ) দ্রাৱিড়শৈলীৰ তীর্থস্থানৰ বৃহৎ চৌহদৰ ভিতৰত স্তম্ভত অৱস্থিত মন্দিৰৰ বুলনি বা প্রৱেশ পথ আছে। এইবোৰৰ কিছুমানত বেৰত সংলগ্ন কিছুমান সৰু সৰু পৰিত্রস্থানো পোৱা যায়। এইধৰণৰ বৈশিষ্ট্য নাগড়শৈলীত পৰিলক্ষিত নহয়।

চ) নাগড় শৈলী আৰু দ্রাৱিড় শৈলীৰ মন্দিৰৰ মাজত অন্য এক পার্থক্য হ'ল মন্দিৰৰ বিশাল আকৃতি। নাগড়শৈলীৰ মন্দিৰৰ তুলনাত পূর্ণৰূপৰ দ্রাৱিড়শৈলীৰ সমূহ বৃহৎ পৰিসৰৰ।

অনুশীলনী ৭.১

উত্তৰ গুপ্তযুগৰ সময়ছোৱাৰ নাগড় আৰু দ্রাৱিড় শৈলীৰ মন্দিৰ স্থাপত্যৰ এখন তালিকা প্ৰস্তুত কৰক।

.....

.....

.....

.....



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন ১ ঃ বিখ্যাত মুক্তেশ্বৰ মন্দিৰ ক'ত অৱস্থিত?

.....

প্রশ্ন ২ ঃ আদিনাথ কোন আছিল?

.....

প্রশ্ন ৩ ঃ চাণ্ডেলা ৰাজবংশৰ প্রতিষ্ঠাপক শাসক কোন আছিল?

.....

প্রশ্ন ৪ ঃ মহাবালিপুৰমত বিখ্যাত উপকূলীয় মন্দিৰসমূহ কোনে নির্মাণ কৰিছিল?

.....

৭.৪ গুপ্তসকলৰ পৰৱৰ্তী যুগত ভাস্কর্য্য শিল্পৰ বিকাশ

ভাৰতীয় স্থাপত্য কলাৰ বিকাশৰ ক্ষেত্রত উত্তৰ গুপ্তযুগে উল্লেখযোগ্য সাক্ষ্য বহন কৰে। শিল আৰু ধাতু উভয়েৰ স্থাপত্য ক্ষেত্রত এই সময়ছোৱা চহকী আছিল। ৰাজকীয় পৃষ্ঠপোষকতাত নির্মিত মন্দিৰৰ দেৱাল ঈৰু স্তম্ভসমূহত শিলা ভাস্কর্য্য দেখিবলৈ পোৱা যায়, এই বিষয়ে আগৰ মন্দিৰ স্থাপত্য অংশত আলোচনা কৰা হৈছে। এইবোৰত নৰ-নাৰীৰ জীৱনৰ বিভিন্ন সময়ৰ প্রতিকৃতি আৰু অৱয়ব খোদিত হৈছে। মন্দিৰবোৰ সুসজ্জিত কৰাৰ উদ্দেশ্যে জীৱ-জন্তু, ফুল, জ্যামিতিক অৱয়ব আদি খোদিত হৈছিল। ঋতু-ভাস্কর্য্যৰে প্রধানভাৱে দেৱ-দেৱী নির্মিত হৈছিল আৰু এইবোৰ শিলা ভাস্কর্য্যতকৈ আকৃতিত বহুত সৰু আছিল।

বংগৰ বৃহৎ অংশ আৰু বিহাৰত ৰাজত্ব কৰা পাল ৰাজবংশ (খ্রীষ্টিয় প্রায় অষ্টম শতিকাৰ পৰা দ্বাদশ শতিকালৈ) কলা আৰু ভাস্কর্য্যৰ প্রধান সাম্রাজ্যৰ বিভিন্ন অংশত ভাস্কর্য্য শিল্পৰ বহুতো কেন্দ্রই ভূমুকি মাৰিছিল। পাল বংশৰ ৰাজত্বৰ সময়ছোৱাৰ বৃহৎসংখ্যক ভাস্কর্য্য আৱিষ্কৃত হৈছে। পাল বংশৰ ভাস্কর্য্যশৈলীৰ উদ্ভৱ গুপ্ত যুগতেই হৈছিল। কিন্তু সাৰনাথ ধাৰাৰ আধ্যাত্মিক মানসম্পন্নতাৰ বিপৰীতে ইয়াৰ ভাস্কর্য্যসমূহ প্রাণহীন। অইবোৰত মানৱশৰীৰৰ প্রকৃত প্রতিচ্ছৱি

আছে, কিন্তু প্রকাশভঙ্গী জঠৰ। তাৰোপৰি প্রস্তৰ ভাস্কর্য্যসমূহ অতিপাত সুসজ্জিত আৰু ঠাই খাই পৰা বিধৰ। দুখন উৰণীয়া বিদ্যাধৰা দুকাষে থকা এটা প্রতীকধর্মী 'কীর্তিমুখ', বাদ্যভাণ্ড, পৰিচাৰক সেৱক, ভক্তগণ, পর্বত সকলোবোৰ প্রস্তৰেৰে আবৃত। এই ভাস্কর্য্যসমূহ ভূমিপ্রোথিত আৰু সুদৃঢ়। ক'লা আগ্নেয়শিল, তাত মুকুতা খাঁজ কাটি ব্যৱহৃত হৈছে, উদ্ভিদ আৰু প্রাণীকূলৰ জটিল বিস্তৃত কৌশলসমূহ সহজসাধ্য বা সুচল কৰা হৈছে। কিন্তু এই অৱয়ৱসমূহত শৈলী আৰু সৌষ্ঠৱৰ অভাৱ আছে। পাল বংশৰ উন্নতমানৰ ভাস্কর্য্যশৈলীৰ কিছুমান উদাহৰণ হ'ল - কৃষ্ণই কংসক বধ কৰি থকা, কৃষ্ণই অর্জুন গছ উভালি থকা আৰু অপ্সৰাই নৃত্য কৰি থকা আদি। তাৰোপৰি, একবিংশ শতিকাত নির্মিত গজ-লক্ষ্মী, বিষ্ণু আদিৰ ব্রঞ্জৰ ভাস্কর্যসমূহ পাল বংশৰ শাসকছোৱাৰ অন্তর্গত। বৌদ্ধধর্মক প্রতিনিধিত্ব কৰা বিভিন্ন পালবংশীয় ভাস্কর্য্য সম্প্রতি বাংলাদেশত আৱিষ্কাৰ হৈছে। পালবংশ চেনা ৰাজবংশৰ উত্তৰাধিকাৰী আছিল, যাৰ শাসনৰ সময়ছোৱাত ভাস্কর্য্যশিল্প অধিক কঠিন আৰু ঋজু হৈ পৰিছিল।



উৎস ঃ Google Image

চিত্র ৬ ঃ পাল ভাস্কর্য

দেৱ-দেৱীৰ সুন্দৰভাৱে খোদিত মূর্ত্তি ৰাজপুত বংশৰ সময়ছোৱাত আৱদ্ধ কৰি ৰখা হৈছিল। তাৰ ভিতৰত কোণার্ক মন্দিৰত থকা সূর্য্যদেৱতাৰ মূর্ত্তি অন্যতম। ৰাজপুত বংশৰ ভাস্কর্য্যৰ উৎকৃষ্ট নিদর্শন হ'ল ৰাজস্থানৰ মাউন্ট আবুত স্থিত দিলৱাৰা মন্দিৰ। এই মন্দিৰৰ ভাস্কর্য্যসমূহ শিখৰৰ আটালত খোদিত ভাস্কর্য্যসমূহ বগা মার্বল পাথৰত খোদিত। মন্দিৰৰ আভ্যন্তৰৰ শিখৰৰ আটালত খোদিত ভাস্কর্য্যসমূহ সঁচাকৈ আটোকধুনীয়া। মান মন্দিৰ আৰু চতুর্ভূজ মন্দিৰৰ ভাস্কর্য্যসমূহো ৰাজপুত বংশৰ ভাস্কর্য্যৰ উত্তম নিদর্শন।



চিত্ৰ ৭ ঃ দিলৱাৰা মন্দিৰ



চিত্ৰ ৮ ঃ মন্দিৰৰ চাদ

উৎস ঃ Google Image

পাল, চোলা আৰু ৰাষ্ট্ৰকূট বংশৰ ভাস্কৰ্য্য-কলায়ো দ্ৰাৱিড়শৈলীৰ মন্দিৰ ভাস্কৰ্য্যৰ সৌষ্ঠৱ বঢ়াইছে। গুপ্তোত্তৰ যুগৰ সময়ছোৱাতেই আটাইতকৈ ব্যয়বহুল ভাস্কৰ্য্যকলাৰ সাক্ষ্য পোৱা যায়।

গুপ্তোত্তৰ যুগত পল্লৱ বংশয়ো মহাবালিপু�ৰমত ভাস্কৰ্য্যকলাৰ বিকাশত অৱিহণা যোগাইছিল, যাক পল্লৱ-পীঠ নামে জনা যায় আৰু য'ত পল্লৱ বংশৰ শিল্পীসকলে শিলক জীৱন্ত ভাস্কৰ্য্যলৈ ৰূপান্তৰিত কৰিছিল।

তাৰোপৰি মহাবালিপুৰমত থকা 'অৰ্জুন তপ' নাইবা 'গঙ্গাৰ অৱতৰণ' আদি পল্লৱ বংশৰ সময়ছোৱাৰ আটাইতকৈ উল্লেখযোগ্য ভাস্কৰ্য্যকলা ৰূপে বিবেচিত। এই আটোমটোকাৰী ভাস্কৰ্য্যটোৰ প্ৰস্থ প্ৰায় ১০০ ফুট (৩০ মি.) আৰু দৈৰ্ঘ্য ১৫ মিটাৰ (৪৫ ফুট)। এই ভাস্কৰ্য্যটোৰ প্ৰতীকী অৰ্থই মহাভাৰতৰ এটা ঘটনা বৰ্ণনা কৰাৰ লগতে ভগীৰথৰ দ্বাৰা গঙ্গাক মৰ্ত্যলৈ বোৱাই অনাৰ কাহিনী বৰ্ণনা কৰে। পল্লৱ বংশৰ অন্যান্য অতি ভাস্কৰ্য্য-মূৰ্ত্তি হ'ল পাঁচখন ৰথ, যাৰ নামকৰণ পাণ্ডৱৰ নামেৰে কৰা হৈছে। এই ৰথ বা ঘোঁৰাগাড়ীসমূহৰ অভূতপূৰ্ব বৈশিষ্ট্য হ'ল যে সেইবোৰ একোটা সুকীয়া শিলত খোদিত আৰু সুকীয়া শৈলীত প্ৰতিষ্ঠিত। একেদৰে, পল্লৱ বংশৰ খনিকৰসকলে অতি কৌশলপূৰ্ণভাৱে উপকূলীয় মন্দিৰ মহাবালিপুৰমৰ ভাস্কৰ্য্যসমূহ নিৰ্মাণ কৰিছিল। উল্লেখযোগ্য যে মন্দিৰত খোদিত কৰা হিন্দু দেৱ-দেৱীৰ মূৰ্ত্তিসমূহ পল্লৱ বংশৰ ভাস্কৰ্য্য কলাৰ উত্তম নিদৰ্শন।

পল্লৱ বংশৰ দৰে চোলা বংশৰ ৰজাও কলা আৰু ভাস্কৰ্য্যৰ পৃষ্ঠপোষক আছিল। তাৰোপৰি যি কলাগত অভিব্যক্তি পল্লৱ অংশৰ সময়ছোৱাত আৰম্ভ হৈছিল, চোলা শিল্পীৰ হাতত সি বিকশিত হ'ল। চোলা ভাস্কৰ্য্যৰ উল্লেখযোগ্য স্থাপত্যসমূহৰ এটা হ'ল নৃত্যৰত শিৱ বা নটৰাজ। চোলা শাসক ৰাজাৰাজা চোলা কলাৰ এগৰাকী প্ৰধান পৃষ্ঠপোষক আছিল। তাঞ্জোৰৰ বৃহদীশ্বৰ মন্দিৰৰ ভাস্কৰ্য্য আৰু গঙ্গাইকন্দা চোলাপুৰম মন্দিৰৰ ভাস্কৰ্য্য হ'ল চোলা ভাস্কৰ্য্যৰ উত্তম আৰ্হি। ব্ৰঞ্জৰ ভাস্কৰ্য্য এই সময়ছোৱাৰ প্ৰয়োজনীয় উপাদান।

ৰাষ্ট্রকূটৰ শাসকসকলো ভাস্কৰ্য্য আৰু স্থাপত্যৰ প্রধান পৃষ্ঠপোষক আছিল। ইলোৰাৰ কৈলাশ মন্দিৰ আৰু এলিফেন্টা গুহাবোৰ হ'ল ৰাষ্ট্রকূটৰ সময়ছোৱাৰ ভাস্কৰ্য্য কলাৰ উত্তম আৰ্হি। ইলোৰাৰ বৃহৎ শিলত খোদিত গুহা মন্দিৰসমূহে ৰাষ্ট্রকূটসকলৰ ভাস্কৰ্য্যশিল্পক আটাইতকৈ সুন্দৰভাৱে প্রতিনিধিত্ব কৰিছে। এই গুহাবোৰ প্রকৃততে ষষ্ঠ শতিকাৰ প্রথম ভাগত খনন কৰা হৈছিল আৰু এইবোৰ আছিল চৌত্রিশটা বৌদ্ধ গুহাৰ সমষ্টি। পৰৱৰ্তী সময়ত ৰাষ্ট্রকূটসকলে এই গুহাসমূহক পুনৰ নির্মান কৰিছিল। ৰাষ্ট্রকূট ৰজা প্রথম কৃষ্ণই কৈলাশনাথ মন্দিৰ নির্মাণ কৰিছিল, যিটো শিলত খোদিত আশ্চর্য্য ভাস্কৰ্য্য ৰূপে বিবেচিত। কৈলাশনাথ মন্দিৰৰ দেৱাল সমূহত আশ্চর্য্যকৰ ভাস্কৰ্য্য আছে। যিয়ে ৰাৱণৰ দ্বাৰা কৈলাশ পর্বত দাঙি লোৱা, শিৱ-পার্বতী আদি হিন্দু পৌৰাণিক কাহিনীৰ জীৱন্ত চিত্র অংকণ কৰিছে। মুম্বাই উপকূলৰ নাতিদূৰত অৱস্থিত এলিফেন্টা গুহা মহাদেৱৰ তিনিখন বৃহতাকায় মুখ বা 'ত্রিমূর্ত্তি'ৰ বাবে জনাজাত। সদাশিৱৰ মুখ বা 'ত্রিমূর্ত্তি'ৰ বাবে জনাজাত। সদাশিৱৰ আকৃতি আৰু নটৰাজৰ মূর্তি হ'ল ৰাষ্ট্রকূটৰ সময়ছোৱাৰ এলিফেন্টা গুহাৰ উত্তম আৰ্হি। ৰাষ্ট্রকূট সময়ছোৱাৰ অন্যান্য ভাস্কৰ্য্য কিছুমান গুলবার্গ, বিজাপুৰ আৰু ৰায়চুড় অঞ্চলত পোৱা যায়।



উৎস ঃ Google Image

চিত্র ৯ ঃ নটৰাজ

অনুশীলনী ৭.২

গুপ্তোত্তৰ যুগৰ জনপ্রিয় ভাস্কৰ্য্যসমূহৰ এখন তালিকা প্রস্তুত কৰা।

.....

.....

.....

৭.৫ গুপ্তোসকলৰ পৰৱৰ্তী যুগৰ চিত্রকলাৰ বিকাশ

গুপ্তোত্তৰ যুগৰ সময়ছোৱাত চিত্রকলাৰ দিশত অভূতপূর্ব বিকাশ হৈছে। ইলোৰা আৰু এলিফেন্ট গুহাত অংকিত চিত্রসমূহ গুপ্তোত্তৰ যুগৰ উত্তম আৰ্হি। পল্লৱ, চোলা, ৰাষ্ট্রকূট আৰু ৰাজপুত আদিৰ দৰে বিভিন্ন ৰাজবংশই গুপ্তোত্তৰ যুগত সক্রিয়ভাৱে চিত্রকলাৰ পৃষ্ঠপোষকতা কৰিছিল।

বংগৰ পাল শাসনৰ সময়ছোৱাত চিত্রকলাৰ দিশত দ্রুত বিকাশ হৈছিল। হস্তলিপি চিত্রসমূহ পাল বংশৰ শাসনছোৱাৰ চিত্রকলাৰ উৎকৃষ্ট নিদর্শন এই হস্তলিপিসমূহ প্রধানভাৱে হালধীয়া, ঘননীলা আৰু ক'লা ৰঙৰ চিত্রৰে সুসজ্জিত কৰা হৈছিল। ঠুনুকাবিধৰ হোৱা বাবে বহুত আৰ্হি নষ্ট হৈ গৈছে।

একেদৰে, দাক্ষিণাট্যত চালুক্যসকলেও গুপ্তোত্তৰ যুগত চিত্ৰকলাৰ ক্ষেত্ৰত বিশেষ ভূমিকা লৈছিল। তেওঁলোকৰ ৰাজধানী চহৰ বাদামী বা ভাটাপী চিত্ৰকলাৰ কেন্দ্ৰ আছিল। বাদামীত থকা গুহাৰ দেৱালচিত্ৰসমূহ খুবসম্ভৱ ব্ৰহ্মণীয় চিত্ৰকলাৰ আদি নিদৰ্শন। চোলা বংশৰ শাসনছোৱাত দক্ষিণ ভাৰতৰ মন্দিৰৰ প্ৰৱেশপথৰ দেৱালত সুন্দৰ চিত্ৰই অলংকৃত কৰা দেখা যায়। ৰাজপুতসকলৰ শাসন ছোৱাত মন্দিৰৰ দেৱালসমূহত স্বৰ্গীয় আৰু পাৰ্থিৱ দৃশ্যৰ চিত্ৰ অংকিত হৈছিল। মন্দিৰ আৰু গুহাৰ দেৱাল চিত্ৰৰ বাহিৰেও ৰাজপুতসকলৰ শাসনছোৱাত কাগজ আৰু গ্ৰন্থত অংকিত চিত্ৰও পোৱা যায়। ৰাজপুতসকলৰ সময়ছোৱাত চিত্ৰকলাৰ বিভিন্ন গোষ্ঠীৰ উদ্ভৱ হৈছিল। সেয়া হ'ল - বিকেনাৰ গোষ্ঠী, বুণ্ডী-কোটা কালাম গোষ্ঠী আৰু মাৰৱাৰ গোষ্ঠী আদি।



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন ৫ ঃ শুদ্ধ/অশুদ্ধ লিখক—

(i) ৰাষ্ট্ৰকূট ৰজা আমোঘাৱৰ্ষাই কৈলাশনাথ মন্দিৰ নিৰ্মাণ কৰিছিল।

(ii) দ্ৰাৱিড়শৈলীৰ মন্দিৰে মনোচাৰাক অনুকৰণ কৰে।

(iii) বৃহদেশ্বৰ মন্দিৰৰ ভাস্কৰ্য্যসমূহ হ'ল চোলা ভাস্কৰ্য্য কলাৰ উদাহৰণ।

প্ৰশ্ন ৬ ঃ খালী ঠাই পূৰ কৰক ঃ

(i) গজ-লক্ষ্মী আৰু বিষ্ণুৰ মূৰ্ত্তিসমূহে ..... ৰ ভাস্কৰ্য্য কলাক প্ৰতিনিধিত্ব কৰে। (ৰাষ্ট্ৰকূট/চোলা/পাল)

(ii) ..... চালুক্য ৰজাৰ ৰাজধানী চহৰ চিত্ৰকলাৰ কেন্দ্ৰ আছিল। (কাঞ্চিপুৰম/ (গঙ্গাইচোলাপুৰম/ভাটাপী)



৭.৬. ঃ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিলে—

- গুপ্ত যুগৰ পৰৱৰ্তী কালত স্থাপত্যকলাৰ ক্ষেত্ৰত অভূতপূৰ্ব উন্নতি হৈছিল। খ্ৰীষ্টিয় ৬০০ ৰ পৰা ১২০০ শতিকাৰ ভিতৰত মন্দিৰ স্থাপত্যৰ নেৰানেপেৰা ক্ৰমবিকাশ হোৱাৰ লগতে নাগড় আৰু দ্ৰাৱিড়ৰ দৰে ভিন্ন শৈলীৰ উদ্ভৱ হৈছিল।
- গুপ্ত যুগৰ পৰৱৰ্তী সময়ত ভাস্কৰ্য্যকলাৰ ক্ষেত্ৰতো সম্যক উন্নতি হৈছিল। পল্লৱ, চোল আৰু ৰাষ্ট্ৰকূট আদি ৰাজবংশসমূহে কলা আৰু ভাস্কৰ্য্যৰ প্ৰধান পৃষ্ঠপোষক আছিল। উত্তৰ গুপ্ত যুগৰ সমগ্ৰ ভাস্কৰ্য্যশৈলীক ব্ৰজৰ ভাস্কৰ্য্য আৰু স্বৰ্গীয় ছৱিসমূহে প্ৰতিনিধিত্ব কৰে।
- গুপ্তোত্তৰ যুগত চিত্ৰকলাৰো ক্ৰমোন্নতি হৈছিল। গুহাৰ দেৱালচিত্ৰ, মন্দিৰৰ প্ৰৱেশপথৰ দেৱাল আৰু হস্তলিপিসমূহৰ চিত্ৰ পোৱা গৈছিল।



৭.৭. অধিক জানিবলৈ

1) Harle, J.C. (986). *Art and Architeture of India Subcontinent.* New Delhi, India : Penguin Publication
2) Sharma, R.S. (2005). *India's Ancient Past*. New Delhi, India : Oxford University Press.
3) Singh, Upinder. (2009). *A History and Early Medieval India : From the stone Age to the Twelfth Centure.* New Delhi, India : Pearson Education India.
4. Thapar, Romila. (2018). *Indian Culture as Hesitage : Contemporary Past.* Delhi, India : Aleph Book Company.



৭.৮ ঃ অগ্রগতিৰ খতিয়ানৰ

১ নং প্রশ্নৰ উত্তৰ ঃ ভূৱনেশ্বৰ, ওড়িষা।

২ নং প্রশ্নৰ উত্তৰ ঃ আদিনাথ যাক ঋষভ নাথ নামেও জনা যায়, তেঁৱেই প্রথম তীর্থংকৰ।

৩ নং প্রশ্নৰ উত্তৰ ঃ জয়শক্তি।

৪ নং প্রশ্নৰ উত্তৰ ঃ পল্লৱ বংশৰ নৰসিংহ বর্মণ।

৫ নং প্রশ্নৰ উত্তৰ ঃ (i) অশুদ্ধ
(ii) শুদ্ধ
(iii) শুদ্ধ

৬ নং প্রশ্নৰ উত্তৰ ঃ (i) পালবংশৰ সময়ছোৱা
(ii) ভাটাপী



৭.৯. আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ লিঙ্গৰাজ মন্দিৰ কোনে নির্মাণ কৰিছিল?

প্রশ্ন ২ ঃ কৈলাশনাথ মন্দিৰ নির্মাণ কৰা পল্লৱ বংশৰ ৰজাজনৰ নাম কি?

প্রশ্ন ৩ ঃ বিখ্যাত ভাস্কর্য্য 'অর্জুন তপ' ক'ত অৱস্থিত?

প্রশ্ন ৪ ঃ হয়চালা ৰাজবংশই নির্মান কৰা এটা মন্দিৰৰ নাম লিখক।

(খ) চমু প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ দ্রাৱিড়শৈলীৰ মন্দিৰ স্থাপত্য কি?

প্রশ্ন ২ ঃ নাগড় আৰু দ্রাৱিড়শৈলীৰ স্থাপত্যৰ মাজত পার্থক্য কি?

প্রশ্ন ৩ ঃ নাগড়শৈলীৰ স্থাপত্যৰ দুটা বৈশিষ্ট্য লিখক।

প্রশ্ন ৪ ঃ লিঙ্গৰাজ মন্দিৰ স্থাপত্যৰ বিষয়ে কি জানে লিখক।

প্রশ্ন ৫ ঃ চমুটোকা লিখক

(i) গুপ্তোত্তৰ যুগৰ চিত্রকলাৰ ক্রমবিকাশ।

(ii) মুক্তেশ্বৰ মন্দিৰ।

(iii) পল্লৱ মন্দিৰ স্থাপত্য।

(গ) ৰচনাধর্মী প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ৫০০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ গুপ্তোত্তৰ যুগৰ নাগড়শৈলীৰ মন্দিৰ স্থাপত্যৰ উৎপত্তি আৰু ক্রমবিকাশ সম্পর্কে আলোচনা কৰক।

প্রশ্ন ২ ঃ দ্রাৱিড় শৈলীৰ পৰম্পৰাগত মন্দিৰৰ বৈশিষ্ট্য সম্পর্কে আলোচনা কৰক। নাগড় শৈলীৰ মন্দিৰ স্থাপত্যৰ সৈতে ইয়াৰ পার্থক্য কেনেকুৱা?

প্রশ্ন ৩ ঃ গুপ্তোসকলৰ যুগৰ ভাস্কর্য্যকলাৰ ক্রমবিকাশ সম্পর্কে আলোকপাত কৰক।

****